NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত অন্ত পৰে। দেশৰ ৭ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত এই পৰ্যায়ত পহিলা জুনত ভোটগ্ৰহণ কৰা হ'ব।

২। বিজেপিৰ জ্যেষ্ঠ নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছ দল আৰু আই এন ডি আই মিত্ৰজোঁটক স্বাৰ্থ আৰু ভোট বেংকৰ ৰাজনীতি কৰা বুলি অভিযোগ উত্থাপন কৰিছে।

৩। দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙে বিজেপি চৰকাৰৰ শাসন কালত দেশৰ অৰ্থনীতি অবিশ্বাস্যভাৱে শোচনীয় হৈছে বুলি অভিযোগ কৰিছে।

৪। জম্মু-কাশ্মীৰৰ জম্মু জিলাৰ আখনুৰ উপখণ্ডৰ টুংগি ম'ৰ অঞ্চলত আজি বিয়লি তীৰ্থ যাত্ৰী কঢ়িয়াই নিয়া এখন বাছ দ খাৱৈত পৰাৰ ফলত অতি কমেও ২০ গৰাকী যাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ১৫ গৰাকী যাত্ৰী আহত হৈছে। *আৰু*

৫। হংকঙত অনুষ্ঠিত পি এছ এ ছেলেঞ্জ কাপ স্কোৱাচ প্ৰতিযোগিতাত ভাৰত ৰাধিকা চিলানে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত অন্ত পৰে। দেশৰ ৭ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত এই পৰ্যায়ত পহিলা জুনত ভোটগ্ৰহণ কৰা হ'ব। অন্তিম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া উত্তৰ প্ৰদেশৰ বাৰাণসী সমষ্টিৰ পৰা বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত শাসক-বিৰোধী উভয় দলৰ ৰাজনৈতিক নেতাসকলে প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছ দল আৰু আই এন ডি আই মিত্ৰজোঁটক স্বাৰ্থ আৰু ভোট বেংকৰ ৰাজনীতি কৰা বুলি অভিযোগ উত্থাপন কৰিছে। পাঞ্জাবৰ হুচিয়াৰপুৰ এখন নিৰ্বাচনী জনসভাত ভাষণ দি তেওঁ কয় যে, ভোট বেংকৰ লগতে কংগ্ৰেছে একেৰাহে ৰাম মন্দিৰ নিৰ্মাণৰ বিৰোধিতা কৰি আহিছে। লগতে দলটোৱে তোষামোদৰ ৰাজনীতি কৰিছে। ইয়াৰ উপৰি দলটোৱে নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধিতা কৰি আহিছে। শ্ৰী মোদীয়ে কয় যে, কোনো দলকে দলীত, অন্যান্য পিছপৰা শ্ৰেণী আৰু পিছপৰা শ্ৰেণীসমূহৰ সংৰক্ষণ কাঢ়ি নিবলৈ দিয়া নহ'ব। তেওঁ লগতে কয় যে, সংৰক্ষণৰ ক্ষেত্ৰত দলটোৰ নিজা অভিপ্ৰায় গ্ৰহণযোগ্য নহয় আৰু তেওঁলোকে সংবিধানক অৱমাননা কৰি দলিত, অন্যান্য পিছপৰা শ্ৰেণী আৰু পিছপৰা শ্ৰেণীক বঞ্চিত কৰি

কেৱল মুছলমানসকলক সংৰক্ষণ দিব বিচাৰিছে। কেৱল ধৰ্মৰ আধাৰত দেশক বিভাজিত কৰাটো এটা ডাঙৰ ষড়যন্ত্ৰ আৰু তেওঁলোকৰ এই অভিপ্ৰায় প্ৰকাশ পাইছে সেয়েহে তেওঁলোকে প্ৰধানমন্ত্ৰী মোদীক তিৰস্কাৰ কৰি আহিছে।

০০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে এছ এণ্ড পি গ্লোবেল ৰেটিংছত ভাৰতৰ প্ৰতি দৃষ্টিভংগী পুনৰীক্ষণ কৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে দেশৰ অৰ্থনীতি সুদৃঢ় কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বাবে হৈছে বুলি প্ৰকাশ কৰিছে। এই সংস্থাটোৱে ভাৰতৰ অৰ্থনৈতিক দৃষ্টিভংগী সুস্থিৰৰ পৰা ইতিবাচক বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত বিজেপিৰ মুখপাত্ৰই জাফৰ ইছলামে কয় যে, বিজেপি নেতৃত্বাধীন চৰকাৰে বিগত ১০ টা বছৰত দেশৰ অৰ্থনীতি টনকিয়াল কৰাৰ বাবে গাঁথনিগত সংস্কাৰ কৰাৰ লগতে আন ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে, মোদী চৰকাৰৰ নেতৃত্বত ব্যৱসায় কৰাটো সহজ কৰা হৈছে। তেওঁ লগতে পূৰ্বৰ ইউ পি এ চৰকাৰৰ শাসন কালৰ কথা সমালোচনা কৰি কয় যে, এই সময়ত দেশৰ অৰ্থনীতি স্থবীৰ হৈ পৰিছিল। তেওঁ লগতে প্ৰকাশ কৰে যে, কোভিড মহামাৰীৰ আৰু ইউক্ৰেইন-ৰাছিয়া সংঘাটৰ ফলত ভাৰতৰ অৰ্থনীতি বৃদ্ধি ইতিবাচক হৈছে।

০০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, এছ এণ্ড পি গ্লোবেল ৰেটিংছত ভাৰতৰ প্ৰতি দৃষ্টিভংগী সুস্থিৰৰ পৰা ইতিবাচক বুলি প্ৰকাশ পোৱাতো এটা উল্লেখযোগ্য সাফল্য। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ কয় যে, ভাৰতৰ প্ৰতি এনেধৰণৰ অৰ্থনৈতিক দৃষ্টিভংগীয়ে অনাহত বৰ্ষ সমূহত ভাৰতৰ অৰ্থনৈতিক বিকাশৰ কথা প্ৰতিফলিত কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত চৰকাৰে ২০১৪ চনৰ পৰা ভালেমান ক্ষুদ্ৰ অৰ্থনৈতিক সংস্কাৰ কৰাৰ ফলত এনেধৰণৰ সাফল্য অৰ্জন কৰিছে। তেওঁ লগতে কয় যে বিশ্বৰ তৃতীয় সৰ্বাধিক অৰ্থব্যৱস্থাৰ দেশ হোৱাৰ বাবে ভাৰত সঠিত পথত আগবাঢ়িছে।

০০০০০০০০

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙে বিজেপি চৰকাৰৰ শাসন কালত দেশৰ অৰ্থনীতি অবিশ্বাস্যভাৱে শোচনীয় হৈছে বুলি অভিযোগ কৰিছে। পাঞ্জাবৰ ভোটাৰসকললৈ লিখা এখন পত্ৰত তেওঁ জনসাধাৰণক ভোটদান কৰিবলৈ আহ্বান জনাই কয় যে, বিজেপি চৰকাৰৰ শাসন কালত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ শতাংশৰ তললৈ অবনমিত হয়। তেওঁ কয় যে কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ শাসন কালত দেশৰ মুঠ ঘৰুৱা উৎপাদন প্ৰায় ৮ শতাংশ আছিল। ড০ সিঙে বিজেপৰ জ্যেষ্ঠ নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত আপত্তিজনক কেতবোৰ মন্তব্য কৰা বুলি অভিযোগ কৰে।

০০০০০০০০

কংগ্ৰেছে আজি অলপতে মহাত্মা গান্ধীৰ সন্দৰ্ভত কৰা মন্তব্যৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সমালোচনা কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে কয় যে, মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি বিশ্বৰ ৮০ খনৰো অধিক দেশত স্থাপন কৰা হৈছে আৰু তেওঁৰ বিষয়ে সমগ্ৰ বিশ্ব অৱগত। তেওঁ লগতে কয় যে, অষ্টাদশ লোকসভা নিৰ্বাচন দীৰ্ঘ সময়ৰ বাবে মনত ৰখা হ'ব। কাৰণ এই নিৰ্বাচনত সমগ্ৰ দেশৰ জনসাধাৰণে গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ বাবে জাতি, ধৰ্ম, বৰ্ণ, ভাষা, নিৰ্বিশেষে একেলগে ওলাই আহিছে।

০০০০০০০০

জম্মু-কাশ্মীৰৰ জম্মু জিলাৰ আখনুৰ উপখণ্ডৰ টুংগি ম'ৰ অঞ্চলত আজি বিয়লি তীৰ্থ যাত্ৰী কঢ়িয়াই নিয়া এখন বাছ্ দ খাৱৈত পৰাৰ ফলত অতি কমেও ২০ গৰাকী যাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ১৫ গৰাকী যাত্ৰী আহত হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি আহত লোকসকলক আখনুৰৰ উপ-চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু গুৰুতৰভাৱে আহতসকলক জম্মুৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আহত আৰু মৃত্যু হোৱা লোকসকলক এতিয়াও চিনাক্ত কৰা হোৱা নাই। উত্তৰ প্ৰদেশৰ পৰা সৰ্বাধিক তীৰ্থযাত্ৰী কঢ়িয়াই নিয়া  বাছখন জম্মুৰ পৰা ৰিছি জিলাৰ শিৱ খৰি গুহালৈ বুলি গৈ আছিল।

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই এই দুৰ্ঘটনাৰ বাবে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ প্ৰশাসনক নিহত লোকসকলৰ পৰিয়ালবৰ্গ আৰু আহত সকলৰ চিকিৎসাৰ বাবে সম্ভৱপৰ সকলো সাহায্য প্ৰদান কৰিবলৈ নিৰ্দেশ দিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে  কেইবাগৰাকীও লোকে প্ৰাণ হেৰুওৱা ঘটনাত দুখ পোৱাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই ঘটনাত মৃত্যু হোৱা লোকৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে প্ৰতিগৰাকী  মৃত লোকৰ পৰিয়াললৈ দুই লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকা প্ৰদান কৰিব বুলি ঘোষণা কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোৱা ৰাজ্য দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, গোৱাৰ সজীৱ সংস্কৃতি চহকী ঐতিহ্য তথা মনোমোহা সৌন্দৰ্যৰ বাবে ভাৰত গৌৰৱান্বিত। তেওঁ কয় যে, আধুনিকতাক আকোৱালি লোৱাৰ লগতে প্ৰাকৃতিক সৌন্দৰ্য সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্যখনৰ দায়বদ্ধতাই বহনক্ষম উন্নয়ন ক্ষেত্ৰত এক উল্লেখযোগ্য আদৰ্শ দাঙি ধৰিছে। তেওঁ লগতে গোৱাৰ উন্নয়ন আৰু সমৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰৰ সমৰ্থন তথা প্ৰসাৰক দৃঢ়তাৰে আশ্বাস প্ৰদান কৰে।

oooooooo

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ওড়িশাৰ পুৰীত চন্দ্ৰন যাত্ৰাৰ সময়ত সংঘটিত আটচবাজী বিস্ফোৰণৰ এক কৰুণ কাণ্ডত বহুতো লোক প্ৰাণ নাশৰ ঘটনাত গভীৰ শোক প্ৰকাশ কৰে। তেওঁ শোকসন্তপ্ত পৰিয়ালসমূহলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশুআৰোগ্য কামনা কৰে।

oooooooo

ভাৰতে আজি পেলেষ্টাইন মহানগৰৰ গাজাৰ দক্ষিণাঞ্চলৰ ৰাফাত ভালেমান অসামৰিক লোকে প্ৰাণ হেৰুওৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সংবাদমাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা বিভাগৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে, ৰাফাৰ আশ্ৰয় শিবিৰত ভালমান লোকে প্ৰাণ হেৰুওৱা ঘটনা অতি উদ্বেগজনক। তেওঁ কয় যে, ভাৰতে দেশ দুখনৰ সংঘাটৰ সময়ত আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ আইন অনুসৰি একেৰাহে অসামৰিক লোকৰ সুৰক্ষাৰ হকে মাত মাতি আহিছে। তেওঁ কয় যে ইজৰাইল কৰ্তৃপক্ষই ইতিমধ্যে এই শোকাবহ ঘটনাৰ বাবে দায়িত্ব স্বীকাৰ কৰিছে আৰু ইয়াৰ তদন্ত ঘোষণা কৰিছে।

oooooooo

দক্ষিণ-পশ্চিম মৌচুমী বতাহ কেৰালাত প্ৰৱেশ কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বেছিভাগ এলেকাৰ দিশে অগ্ৰসৰ হৈছে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে স্বাভাৱিকতে ১ জুনত প্ৰতিবছৰে কেৰালাত মৌচুমী বায়ুৱে প্ৰৱেশ কৰাৰ দুদিন পূৰ্বে এইবাৰ ৰাজ্যখনত মৌচুমীৰ আগমন ঘটে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালকপ্ৰধান মৃত্যুঞ্জয় মহাপাত্ৰই কয় যে দক্ষিণ ভাৰতৰ কৰ্ণাটক, তামিলনাডু আৰু পুডুচেৰীতো অহা দুই-তিনিদিনত মৌচুমী বায়ুৱে প্ৰৱেশ কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ লগতে হিমালয়ৰ পাদদেশৰ পশ্চিমবংগ আৰু ছিকিমৰ সকলো অঞ্চলতে মৌচুমী বায়ু প্ৰৱেশ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। ইপিনে, ডং মহাপাত্ৰই দক্ষিণ পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত হোৱা গাজনি-ঢেৰেকণি আৰু বৰষুণৰ বাবে উত্তৰ-পশ্চিম ভাৰতত গ্ৰীষ্ম প্ৰৱাহৰ মাত্ৰা হ্ৰাস পাব বুলিও কয়।

oooooooo

হংকঙত অনুষ্ঠিত পি এছ এ ছেলেঞ্জ কাপ স্কোৱাচ প্ৰতিযোগিতাত ভাৰত ৰাধিকা চিলানে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ষষ্ঠ বাচনিৰ ভাৰতৰ ৰাধিকাই হংকঙৰ কা হুৱেন লিয়ুং ৩-২ ব্যৱধানত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত ৰাধিকাৰই মালয়েছিয়াৰ ছেহভিট্ৰাৰ মুখামুখি হ'ব।

oooooooo

সমাপ্ত